**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 19-08-2026**
**Time : 1-40 PM**

## ASSAMESE MIDDAY NSD BULLETIN

১। ভাৰত আৰু ছিংগাপুৰৰ মাজত কাইলৈ হ'বলগীয়া চতুৰ্থ বাণিজ্যিক ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ ৰাওনা হৈছে।

২। ভাৰতৰ অৰ্থনৈতিক বিকাশে বৰ্তমান বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি চি. পি ৰাধাকৃষ্ণণে আজিৰে পৰা দুদিনীয়াকৈ উত্তৰাখণ্ড ভ্ৰমণ কৰিব।

৪। কলকাতাৰ নিউ মাৰ্কেট অঞ্চলৰ এখন হোটেলত সংঘটিত  অগ্নিকাণ্ডত ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ছজন আহত হয়। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত আজি ইষ্ট বেংগল এফ চি, স্পৰটিং ক্লাৱ দিল্লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰত আৰু ছিংগাপুৰৰ মাজত কাইলৈ হ'বলগীয়া চতুৰ্থ বাণিজ্যিক ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ বাবে উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেল তিনিদিনীয়া ভ্ৰমণসূচীৰে  ছিংগাপুৰলৈ ৰাওনা হৈছে। তেওঁৰ সৈতে দেশৰ বিভিন্ন উদ্যোগ ক্ষেত্ৰৰ ৭০ গৰাকী আগশাৰীৰ ব্যৱসায়িক নেতাৰ এটা প্ৰতিনিধি দলো দেশখনলৈ গৈছে। এই দলটোৱে ভাৰত আৰু ছিংগাপুৰৰ অৰ্থনৈতিক আৰু বাণিজ্যিক বান্ধোন শক্তিশালী কৰাৰ বাবে চেষ্টা চলাব। শ্ৰী গোৱেলে কাইলৈ ভাৰত-ছিংগাপুৰৰ মন্ত্ৰী পৰ্য্যায়ৰ চতুৰ্থ বাৰ্ষিক ঘূৰণীয়া মেজমেলতো অংশ ল'ব। দুয়ো দেশৰ মাজত সৰ্বাত্মক অংশীদাৰিত্ব বৃদ্ধিৰ লক্ষ্যৰে এই মেজমেলৰ আয়োজন কৰা হৈছে। এই কাৰ্য্যসূচীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ. জয়শংকৰ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বৈদ্যুতিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ লগতে কেইবাগৰাকী মন্ত্ৰী তথা বিভিন্ন বিভাগৰ নেতা সকল উপস্থিত থাকিব। মন্ত্ৰীসকলে ছিংগাপুৰত তেওঁলোকৰ অনুৰূপ দপ্তৰৰ মন্ত্ৰীৰ  সৈতে বিভাগীয় বিষয় লৈ আলোচনা কৰিব। শ্ৰী গোৱেলে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙকো ইষ্টানাত সাক্ষাৎ কৰিব। মন্ত্ৰীগৰাকীয়ে আন্ত-ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিভিন্ন ব্যৱসায়িক সংস্থাৰ প্ৰতিনিধিৰ সৈতেও বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে ২০২২ চেপ্তেম্বৰত দুয়োখন দেশৰ মাজত প্ৰথমবাৰৰ বাবে ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল।

০০০০০

ছিংগাপুৰৰত কাইলৈ হ'বলগীয়া ভাৰত-ছিংগাপুৰৰ মন্ত্ৰী পৰ্য্যায়ৰ চতুৰ্থ বাৰ্ষিক ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ বাবে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ দেশখনলৈ ৰাওনা হৈছে। এই মেজমেল দুয়োদেশৰ মাজৰ ছটা গুৰুত্বপূৰ্ণ বিষয় নিৰ্মাণখণ্ড, যোগাযোগ, ডিজিটেলাইজেছন, স্বাস্থ্য সেৱা আৰু ঔষধ, দক্ষতা বিকাশ আৰু বহনক্ষমতা এই ছটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি আয়োজন কৰা হৈছে। বিত্তমন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই কাৰ্য্যসূচীত ছটা বিষয়ৰ ওপৰত আধাৰিত উন্নয়ন আৰু ভৱিষ্যতে ভাৰত-ছিংগাপুৰৰ অৰ্থনৈতিক অংশীদাৰিত্বৰ জৰিয়তে সা-সুবিধা প্ৰসাৰ সম্পৰ্কে আলোচনা কৰা হ'ব।

ooooo

ভাৰতৰ অৰ্থনৈতিক বিকাশে বৰ্তমান বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে আৰু ৬ ৰ পৰা ৮ শতাংশ অৰ্থনৈতিক বৃদ্ধি পৰিলক্ষিত হৈছে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত অনুষ্ঠিত উত্তৰ প্ৰদেশ-জাপান বিনিয়োগ সন্মিলন ২০২৬ ত অংশগ্ৰহণ কৰি এইদৰে কয়। মন্ত্ৰী শ্ৰীবৈষ্ণৱে কয়, যে দেশৰ অৰ্থনৈতিক বিকাশৰ কাহিনী মূলতঃ ৪ টা স্তম্ভৰ দ্বাৰা পৰিচালিত হৈছে আৰু সেয়া হ'ল- সামাজিক, ডিজিটেল আৰু ভৌতিক আন্তঃগাথনিত বিনিয়োগ, সৰ্বাঙ্গীন বৃদ্ধি আৰু উৎপাদনৰ ক্ষেত্ৰত শক্তিশালী মনোনিবেশ। এই সন্মিলনত ভাষণ দি শ্ৰীবৈষ্ণৱে কয় যে বিনিয়োগ এখন দেশৰ সমৃদ্ধিৰ যাত্ৰাৰ গুৰুত্বপূৰ্ণ অংগ আৰু দেশে প্ৰতি বছৰে ১৩০ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰে।

**বাইট-অশ্বিনী**

ooooo

উপ-ৰাষ্ট্ৰপতি চি. পি ৰাধাকৃষ্ণণে আজিৰে পৰা দুদিনীয়াকৈ উত্তৰাখণ্ড ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত তেওঁ ডেৰাদুনৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় ফৰেষ্ট একাডেমীত ভাৰতীয় বন সেৱাৰ ২০২৫-২৭ বৰ্ষৰ প্ৰশিক্ষাৰ্থী বিষয়া সকলক উদ্দেশ্যি ভাষণ দিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ মৌচুৰীত লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসনীয় একাডেমীত ২০২৪ বেটছৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া সকলৰ বাবে আয়োজিত দ্বিতীয় বৃত্তিমুখী পাঠ্যক্ৰমৰ সামৰণি অনুষ্ঠানত অংশ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আৰক্ষী আৰু প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। তদুপৰি জিলা প্ৰশাসনে যান বাহন আৰক্ষী, নিৰাপত্তা বিভাগ আৰু অন্যান্য সকলক যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাৰ মহাৰাজ বীৰ বিক্ৰম কিশোৰ মাণিক্য বাহাদুৰৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে মহাৰাজ মাণিক্য বাহাদুৰ এগৰাকী দূৰদৰ্শী নেতা হোৱাৰ লগতে প্ৰশাসনক জনসাধাৰণৰ কাষলৈ লৈ যোৱাৰ পোষকতা কৰিছিল। মহাৰাজ মাণিক্য বাহাদুৰক আধুনিক ত্ৰিপুৰাৰ খনিকৰ বুলি অভিহিত কৰাৰ লগতে তেওঁ শিক্ষা, আন্তঃগাঁথনি আৰু প্ৰশাসন ব্যৱস্থালৈ যথেষ্ট বৰঙণি আগবঢ়োৱাৰ কথা উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে মহাৰাজ মাণিক্য বাহাদুৰৰ এই বৰঙণিয়ে ত্ৰিপুৰাৰ উন্নয়নৰ বাবে চৰকাৰক উৎসাহ যোগাই থাকিব।

ooooo

পশ্চিমবংগৰ ৰাজধানী কলকাতাৰ নিউ মাৰ্কেট প্লেচ অঞ্চলৰ এখন হোটেলত আজি পুৱতি নিশা সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাত ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ছজন আহত হয়। আৰক্ষী সূত্ৰই সদৰি কৰা মতে

অগ্নিকাণ্ডৰ ঘটনাটো যোৱা নিশা ২ মান বজাত সংঘটিত হৈছিল আৰু হোটেলখন থকা অট্টালিকাটো জুই আৰু ধোঁৱাই আগুৰি ধৰিছিল। প্ৰাথমিক অনুসন্ধানত লাভ কৰা তথ্যমতে হোটেলখনত অগ্নি নিৰ্বাপনৰ কোনো সুৰক্ষা ব্যৱস্থা ৰখা হোৱা নাছিল। যাৱতীয় সুৰক্ষা অবিহনে ৰাজধানীৰ মাজমজিয়াত পাঁচ মহলীয়া হোটেল নিৰ্মাণ কৰাৰ বাবে কিদৰে বিভাগীয় অনুমতি লাভ কৰিছে- এই দিশটোৱে বৰ্তমান সচেতন মহলৰ মাজত প্ৰশ্ন উত্থাপন কৰিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শোকাৱহ দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে দুৰ্ঘটনাত নিহত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। তেওঁ আহত লোকসকলৰো আশু আৰোগ্য কামনা কৰিছে। ইফালে সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ো দুৰ্ঘটনাগ্ৰস্ত জনসাধাৰণক সহায় কৰিবলৈ জিলা প্ৰশাসনক সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

ooooo

জম্মু-কাশ্মীৰৰ ৰিয়াচী জিলাত কালি সংঘটিত এটা দুৰ্ঘটনাত একেতা পৰিয়ালৰে তিনিজন লোক নিহত হোৱাৰ লগতে আন দুজন আহত হয়। উল্লেখযোগ্য যে এখন বাহনে পাহাৰীয়া পথেৰে যাত্ৰাৰ কৰাৰ সময়ত নিয়ন্ত্ৰণ হেৰুৱাই কাষৰ দ' খাৱৈত পৰাৰ ফলত এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। আহত দুগৰাকীক ততালিকে হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

আনহাতে কালি নিশা সংঘটিত আন এটা দুৰ্ঘটনাত ছজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ তথ্যমতে জম্মু-কাশ্মীৰ ৰাজৌৰী জিলাৰ খাৰাছ্ অঞ্চলৰ এখন গাঁৱৰ মাজেৰে আহি থকা যাত্ৰীবাহী এখন বাহন কাষৰ পথাৰত পৰি যোৱাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

ooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন ছেমিফাইনেলত ইষ্ট বেংগল এফ চি, স্পৰটিং ক্লাব দিল্লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত বি ডব্লিউ এফ বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপৰ মিক্সড ডাবলছ্ শাখাত ভাৰতৰ ধ্ৰুৱ কপিলা আৰু টানিছা ক্ৰাষ্ট'ৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ উন্নীত হৈছে। ধ্ৰুৱ আৰু টানিছাই মাকাওৰ লিয়ন য়'ক চং আৰু এনজি ৱেং চিৰ যুটিটোক ২১-১১, ২১-১১ গেমত পৰাস্ত কৰে। ইয়াৰ পৰৱৰ্তী খেলত ভাৰতীয় যুটিটোৱে চীনৰ চেন ফাং হুই আৰু গুঅ' চিন ৱাৰ বিৰুদ্ধে খেলিব।

ooooo

সমাপ্ত